জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৭৪/২০২১

# গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ সঞ্চালকমণ্ডলীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক

## স্মাৰ্ট চিটি প্ৰকল্পৰ কাম-কাজ দ্ৰুততাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২০ জুলাই ঃ** স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনৰ বিভিন্ন কাম-কাজসমূহ খৰতকীয়াকৈ সম্পূৰ্ণ কৰাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডক নিৰ্দেশ দিছে। আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ৰ সভাকক্ষত গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ সঞ্চালকমণ্ডলীৰ সৈতে হোৱা এক উচ্চ পৰ্যায়ৰ বৈঠকত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰকল্পটোৰ অধীনৰ কাম-কাজসমূহ নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পূৰ্ণ কৰণক শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয় হিচাপে গণ্য কৰিবলৈ বিষয়ববীয়াসকলক নিৰ্দেশ প্ৰদান কৰে।

আজিৰ বৈঠকে ৩৭০ কোটি টকা ব্যয় সাপেক্ষে গুৱাহাটীত ১.৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰ নদীপাৰ উন্নয়ন প্ৰকল্প ৰূপায়ণত অনুমোদন জনায়। নিৰ্দিষ্ট সময়ৰ ভিতৰত এই প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে।

আজিৰ বৈঠকত স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনৰ অন্যান্য উপাদানসমূহ যেনে জলাশয়সমূহৰ পুনৰুজ্জীৱিতকৰণ, পৰিৱেশ সম্বন্ধীয় নীতি-নিৰ্দেশনা কটকটীয়াভাৱে অনুসৰণ কৰি দীপৰ বিলৰ উন্নয়ন, গুৱাহাটীত সংহত যান-বাহন ব্যৱস্থাপনা পদ্ধতি, গান্ধী মণ্ডপ আৰু শংকৰদেৱ কলাক্ষেত্ৰত পোহৰ আৰু শব্দ প্ৰদৰ্শনী, অশ্বক্লান্ত দেৱালয়ৰ উন্নয়ন, উমানন্দ দেৱালয়ৰ উন্নয়ন, গুৱাহাটী মহানগৰৰ পৰিষ্কৰণৰ বাবে অত্যাধুনিক জাৱৰ নিষ্কাশন যন্ত্ৰ ক্ৰয়, স্মাৰ্ট ষ্ট্ৰীট লাইট ব্যৱস্থা আদি বিষয়সমূহৰ ওপৰতো আলোচনা কৰা হয়।

স্মাৰ্ট চিটি লিমিটেডৰ অধীনৰ প্ৰকল্পসমূহ দ্ৰুততাৰে সম্পূৰ্ণ কৰাৰ লগতে ইয়াৰ বাবে অসম চৰকাৰে অতিৰিক্ত পুঁজি প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীয়ে স্মাৰ্ট চিটি লিমিটেডৰ বিষয়ববীয়াসকলক আশ্বাস প্ৰদান কৰে।

আজিৰ বৈঠকত গুৱাহাটী উন্নয়ন বিভাগৰ মন্ত্ৰী অশোক সিংহল, মুখ্য সচিব তথা গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ অধ্যক্ষ জিষ্ণু বৰুৱা, গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ অন্যান্য সঞ্চালকসকল ক্ৰমে অতিৰিক্ত মুখ্য সচিব মনিন্দৰ সিং, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত হৰমিত সিং, কৌশৰ হিলালী, দেৱাশিস শৰ্মা আদিৰ লগতে গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডৰ পৰিচালন সঞ্চালক এছ সুন্দৰো উপস্থিত থাকে।

**সুঃদঃ/ প্ৰঃকুঃবঃ**
**২০/০৭/২০২১**